NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। বিগত কিছু বছৰত শিক্ষা, সমাজ, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ সৱলীকৰণৰ উদ্দেশ্যে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

২। প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা চমুকৈ ডি আৰ ডি অ'ই সফলতাৰে অত্যাধুনিক বেলেষ্টিক ক্ষেপনাস্ত্ৰ **অগ্নি প্ৰাইম** সফলতাৰে উৎক্ষেপন কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে যে, PACS অৰ্থাৎ প্ৰাথমিক কৃষি ঋণ সমিতিসমূহ প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰৰ পৰিসৰৰ অধীনলৈ অনা হব।

৪। বিদেশ মন্ত্ৰী ডঃ এছ জয়শংকৰে আজি নতুন দিল্লীত আয়োজিত সম্পৰ্ক চে সমৰ্থন শীৰ্ষক বিশাল জনসম্পৰ্কৰক্ষী কাৰ্যসূচীৰ অংশ হিচাপে কাবুলৰ পৰা স্থানান্তৰিত পৰিয়ালসমূহক সাক্ষাৎ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। ***আৰু***

৫। অ'ভেলত চলি থকা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬৯ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

বিগত কিছু বছৰত শিক্ষা, সমাজ, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ সৱলীকৰণৰ উদ্দেশ্যে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। এইসমূহৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত মহিলাসকলৰ স্থিতি উন্নত হোৱাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। ২০১৭ চনৰ পহিলা জানুৱাৰীত চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা হৈছে মহিলাৰ সৱলীকৰণৰ দিশত এখন গুৰুত্বপূৰ্ণ আচনি। এই আঁচনিৰ অধীনত গৰ্ভৱতী আৰু মাতৃ দুগ্ধ পান কৰাই থকা মহিলাসকলৰ লগতে, শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টি উন্নীতকৰণৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হয়। এই পৰ্যন্ত ২ কোটি ৭৯ লাখ মহিলাই এই আঁচনিৰ সুফল লাভ কৰিছে আৰু তেওঁলোকক এই আঁচনিৰ অধীনত এতিয়ালৈকে ১২ কোটি ২৪১ লাখ টকা প্ৰদান কৰা হৈছে।

প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত প্ৰথম দুটা জীৱিত সন্তানৰ মাতৃক বিত্তীয় সাহায্য প্ৰদান কৰা হয়, অৱশ্যে এই ক্ষেত্ৰত দ্বিতীয় সন্তানটি কন্যা সন্তান হব লাগিব। এই আঁচনিত প্ৰথম সন্তানৰ ক্ষেত্ৰত মাতৃগৰাকী দুটা কিস্তিত ৫ হাজাৰ টকা প্ৰদান কৰা হয় আৰু দ্বিতীয় কন্যা সন্তানৰ ক্ষেত্ৰত একেটা কিস্তিতে ৬ হাজাৰ টকা প্ৰদান কৰা হয়।

এই আঁচনিৰ উদ্দেশ্য হৈছে - সন্তান জন্ম দিয়াৰ পূৰ্বৰ সময়ছোৱাৰ লগতে পৰৱৰ্তী সময়ছোৱাত স্বাস্থ্যজনিত কাৰণত কাম কৰি মজুৰি লাভ কৰাৰ পৰা বঞ্চিত মহিলাসকলক প্ৰয়োজনীয় অৰ্থনৈতিক সাহায্য প্ৰদান কৰা।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা চমুকৈ ডি আৰ ডি অ'ই সফলতাৰে অত্যাধুনিক বেলেষ্টিক ক্ষেপনাস্ত্ৰ **অগ্নি প্ৰাইম** সফলতাৰে উৎক্ষেপন কৰে। কালি সন্ধিয়া ওড়িশাৰ উপকূলৰ ড০ এ পি জে আব্দুল কালাম দ্বীপৰ পৰা এই ক্ষেপনাস্ত্ৰৰ উৎক্ষেপন কৰা হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, উৰণৰ পৰীক্ষাৰ সময়ত সকলোবোৰ দিশ সফলতাৰে প্ৰদৰ্শন কৰা হৈছিল আৰু এইটোৱেই আছিল ক্ষেপনাস্ত্ৰৰ বিকাশমূলক পৰীক্ষাৰ অন্তত কৰা প্ৰথমটো প্ৰি ইণ্ডাকচন নাইট লঞ্চ। ইয়াৰ ৰেঞ্জ দুই হাজাৰ কিলোমিটাৰ পৰ্যন্ত।

এই সফল উৎক্ষেপনৰ সময়ত ডি আৰ ডি অ' আৰু ষ্ট্ৰেটিজিক ফৰ্চ কমাণ্ডৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। এই উৎক্ষেপনে এই ব্যৱস্থাটোক সশস্ত্ৰ বাহিনীত প্ৰৱেশৰ পথ প্ৰসস্ত্ কৰিছে। আজিৰ এই সফল উৎক্ষেপনৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ডি আৰ ডি অ' আৰু সশস্ত্ৰ বাহিনীক অভিনন্দন জ্ঞাপন কৰে।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে আজি চলিত বিত্তীয় বৰ্ষৰ বাবে দ্বিতীয়টো দ্বিমাসিক মুদ্ৰা নীতি ঘোষণা কৰিছে। আৰ বি আয়ে ঘাই ঘাই সুদৰ হাৰসমূহ অপৰিৱৰ্তিত আছে।

মুদ্ৰা নীতি সমীক্ষাৰ কথা ঘোষণা কৰি আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে, মুদ্ৰা নীতি কমিটীয়ে ৰেপ'ৰেট অৰ্থাৎ আৰ বি আয়ে বেংকসমূহক প্ৰদান কৰা সুদৰ হাৰ ৫ দশমিক ৬ শতাংশ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে, উপভোক্তা মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতিৰ হাৰ মাৰ্চ-এপ্ৰিল মাহত হ্ৰাস পাইছে। চলিত বিত্তীয় বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৪ শতাংশৰ অধিক হৈ থকাৰ সম্ভাৱনা আছে বুলি তেওঁ প্ৰকাশ কৰে। আৰ বি আইৰ গৱৰ্ণৰগৰাকীয়ে কয় যে, সকলো কাৰকৰ মূল্যায়ন আৰু বাৰিষা কালৰ স্বাভাৱিক বৰষুণৰ সম্ভাৱনালৈ চাই ২০২৩-২৪ বৰ্ষত মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ১ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

দুহেজাৰ টকীয়া নোট প্ৰত্যাহাৰৰ কথা উল্লেখ কৰি শ্ৰী দাসে কয় যে, নোট প্ৰত্যাহাৰৰ সিদ্ধান্ত ৩ সপ্তাহৰ পাছত দুহেজাৰ টকীয়া নোটৰ প্ৰচলন হ্ৰাস পাইছে আৰু চৰকাৰৰ খৰচ বৃদ্ধিৰ ফলত নগদ ধনৰ প্ৰৱাহো বৃদ্ধি পাইছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে যে, PACS সমূহ মানে প্ৰাথমিক কৃষি ঋণ সমিতিসমূহ প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰৰ পৰিসৰৰ অধীনলৈ অনা হব। সমগ্ৰ দেশত প্ৰায় এখ লাখ প্ৰাথমিক কৃষি ঋণ সমবায় সমিতি আছে। অপাৰেশ্বন মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সাহকৰ ছে সমৃদ্ধি** দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে ৫ টা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰালয়ে জনায় যে, PACS সমূহ জৈৱিক সাৰ বিপননৰ লগত সংযোগ কৰা হব, বিশেষকৈ ফাৰ্মেণ্টেড জৈৱিক গোৰৰ আৰু জুলীয়া ফাৰ্মেণ্টেড জৈৱিক গোবৰৰ ওপৰত গুৰুত্ব দিয়া হ'ব। মেপিঙৰ ওপৰত ভিত্তি কৰি যিবোৰ PACS সাৰৰ খুচুৰা বিক্ৰেতা হিচাপে কাম কৰা নাই, সেইবোৰ চিনাক্ত কৰা হব আৰু সেইবোৰক সম্ভাৱনীয়তাৰ ওপৰত ভিত্তি কৰি খুচুৰা বিক্ৰেতা হিচাপে কাম কৰিবলৈ পৰ্যায়ক্ৰমে উৎসাহিত কৰিব। কেন্দ্ৰীয় ক'অপাৰেশ্বন মন্ত্ৰী অমিত শ্বাহে ৰাসায়নিক আৰু সাৰ মন্ত্ৰী মনসুখ মন্দাভিয়াৰ সৈতে নতুন দিল্লীত হোৱা আজি এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰে।

সাৰ বিভাগৰ বজাৰ উন্নয়ন সাহায্য আঁচনিৰ অধীনত সাৰ কোম্পানীসমূহে ক্ষুদ্ৰ জৈৱিক উৎপাদকসকলৰ বাবে এগ্ৰিগেটৰ হিচাপে কাম কৰিব যাতে উৎপাদিত চূড়ান্ত সামগ্ৰী বিধৰ বজাৰ গঢ়ি তুলিব পাৰে। মন্ত্ৰালয়ে জনোৱা মতে, সাৰ আৰু কীটনাশক ছটিয়াই দিয়াৰ বাবে ৰাসায়নিক কৃষি ঋণ সমিতিকো ড্ৰ'ন উদ্যোগী হিচাপে নিয়োগ কৰিব পাৰি। এই সিদ্ধান্তসমূহে প্ৰাথমিক কৃষি ঋণ সমিতিসমূহৰ আয় বৃদ্ধি কৰাৰ লগতে গ্ৰামাঞ্চলৰ কৰ্মসংস্থাপনৰ সুবিধাও বৃদ্ধি কৰিব। লগতে কৃষকসকলে স্থানীয় পৰ্যায়ত সাৰ, কীটনাশক, বীজ আৰু কৃষি যন্ত্ৰপাতি লাভ কৰিবলৈ সক্ষম হ'ব।

০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত আয়োজিত **সম্পৰ্ক চে সমৰ্থন** শীৰ্ষক বিশাল জনসম্পৰ্কৰক্ষী কাৰ্যসূচীৰ অংশ হিচাপে কাবুলৰ পৰা স্থানান্তৰিত পৰিয়ালসমূহক সাক্ষাৎ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। ড০ জয়শংকৰে লগতে এই পৰিয়ালসমূহৰ পৰৱৰ্তী সিদ্ধান্তৰ বিষয়েও বুজ লোৱাৰ লগতে চৰকাৰে কিদৰে তেওঁলোকক সহায় সমৰ্থন আগবঢ়াব সেই সন্দৰ্ভত মত বিনিময় কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ড০ জয়শংকৰে কয় যে, চৰকাৰ প্ৰতিটো স্তৰতে এই পৰিয়ালসমূহৰ সৈতে আছে আৰু উন্নত পৰিস্থিতিত তেওঁলোকৰ হ'কে প্ৰয়োজনীয় গ্ৰহণ কৰা হ'ব। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, বহুতো লোকে পুনৰ উভতি যোৱাৰ লগতে তেওঁলোকৰ পাৰপত্ৰসমূহ নিজৰ লগত ৰাখিব বিচাৰিছে। বিষয়টো সন্দৰ্ভত এটা উন্নত সমাধান সূত্ৰ উলিয়াবলৈ চৰকাৰ আগ্ৰহী বুলিও ড০ জয়শংকৰে মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে আজি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, সামুহিক স্বাস্থ্য কেন্দ্ৰ আৰু জিলা চিকিৎসালয়সমূহত কৰ্মৰত স্বাস্থ্য বিষয়াসকলৰ সৰলীকৰণৰ উদ্দেশ্যে ধুমপান নকৰা লোকসকলৰ মাজত দেখা দিয়া চৰ্বিযুক্ত যকৃতৰ ৰোগ সন্দৰ্ভত এখন ৱেবিনাৰৰ আয়োজন কৰে। এই ৱেবিনাৰত ৭ হাজাৰৰো অধিক স্বাস্থ্য বিষয়াই অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত স্বাস্থ্য সচিব ৰাজেশ ভূষণে প্ৰাথমিক স্তৰত অসংক্ৰামক ৰোগসমূহৰ সৈতে মোকাবিলা কৰাৰ বাবে চিকিৎসা বিষয়াসকলৰ যোগ্যতা বিকাশ কাৰ্যসূচীৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, ইয়াৰ জৰিয়তে চিকিৎসা বিষয়াসকলে এই সন্দৰ্ভত অধিক গুৰুত্বপূৰ্ণ জ্ঞান আহৰণৰ সুবিধা পোৱাৰ লগতে এই ৰোগসমূহে সৃষ্টি কৰা প্ৰত্যাহ্বানসমূহৰ সৈতে যুঁজ দিয়াৰ ক্ষেত্ৰত তেওঁলোকক অধিক যোগ্য কৰি তুলিব।

০০০০

ভাৰতীয় ৰেলৱেই যোৱা মাহত মালগাড়ী ৰেলগাড়ীসমূহৰ পৰা ১৪ হাজাৰ ৬৪১ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে যোৱা বছৰৰ মে' মাহত এই পৰিমাণ আছিল ১৪ হাজাৰ ৮৩ কোটি টকা। ইয়াকে লৈ এই ৰাজহ সংগ্ৰহ ক্ষেত্ৰত যোৱা বছৰৰ তুলনাত ৪ শতাংশ বৃদ্ধি পৰিলক্ষিত হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে ২০২২ বৰ্ষৰ প্ৰসাৰ ভাৰতীৰ নিৰ্দেশনা অনুযায়ী কামৰূপ মহানগৰ জিলাৰ বাবে গুৱাহাটীৰ পৰা অংশকালীন সংবাদদাতাৰ আৱেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে WWW. NEWSONAIR.GOV.IN ৱেবছাইটত আবেদনৰ বিতং তথ্য জানিব পাৰিব আৰু নিৰ্ধাৰিত প্ৰপত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে স্বপ্ৰত্যায়িত নথি আৰু একপি শেহতীয়া পাৰপত্ৰ

আকাৰৰ ফটোসহ প্ৰ-পত্ৰ জমা দিব লাগিব। প্ৰ-পত্ৰসমূহ - মুৰববী, আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী- ৭৮১০০৩ ঠিকনা লিখি আকাশবাণী গুৱাহাটীৰ ড্ৰপবক্সত ২১ জুনৰ আগেয়ে জমা দিব লাগিব।

০০০০

কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনৰ বহু প্ৰত্যাশিত গোলকীয় কাৰ্যসূচী বিশ্ব কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰদৰ্শনী কালিৰে পৰা ডুবাইত অনুষ্ঠিত হৈছে। এই প্ৰদৰ্শনীয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ বিশেষজ্ঞ, উদ্যোগ জগতৰ নেতা আৰু কাৰিকৰী বিশেষজ্ঞসকলক আকৰ্ষিত কৰিছে। এই প্ৰদৰ্শনীয়ে বিভিন্ন খণ্ডৰ সংস্কাৰ সাধনৰ উদ্দেশ্যে থলুৱা উদ্ভাৱন আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যাপক সম্ভাৱনীয়তাসমূহ অন্বেষণৰ এখন গুৰুত্বপূৰ্ণ মঞ্চ প্ৰদান কৰে।

০০০০

অ'ভেলত চলি থকা বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৪৬৯ ৰাণ সংগ্ৰহ কৰিছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ভাৰতৰ হৈ মহম্মদ চিৰাজে ৪ টা, মহম্মদ ছামী আৰু চাৰ্দুল ঠাকুৰে ২ টাকৈ আৰু ৰবিন্দ্ৰ জাদেজাই এটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ হৈ ষ্টীভ স্মীথ আৰু ট্ৰেভিজ হেদে ক্ৰমে ১২১ আৰু ১৬৩ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০

সমাপ্ত